**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ৪০৫**
**উত্তৰ দানৰ তাৰিখ – ২২/০৭/২০২৬**

তৰাবিহীন প্ৰশ্ন নং – ৪০৫

বিষয়ঃ কৃষি ভূমি সন্দৰ্ভত বিধায়ক – শ্ৰীমৃণাল শইকীয়াঃ

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) খুমটাই সমষ্টিত ৰবি শস্যৰ বাবে উপযোগী কিমান কৃষি ভূমি আছে ?

(খ) এই কৃষি ভূমিৰ কিমান অংশত জলসিঞ্চনৰ ব্যৱস্থা আছে ?

(গ) এই সাৰুৱা ভূমিত ১০০ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা চৰকাৰে হাতত ল'বনে ?

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ**

(ক) খুমটাই সমষ্টিত ৰবি শস্যৰ বাবে ৮৭৪৮ হেক্টৰ উপযোগী কৃষি ভূমি আছে।

(খ) খুমটাই বিধানসভা সমষ্টিত মুঠ ১৩৯ হেক্টৰ কৃষিভূমি জলসিঞ্চন ব্যৱস্থাৰ অধীনত আছে।

(গ) খুমটাই বিধানসভা সমষ্টিৰ সাৰুৱা কৃষিভূমিত ১০০ শতাংশ জলসিঞ্চনৰ সুবিধা নিশ্চিত কৰাৰ লক্ষ্যৰে কৃষকসকলৰ প্ৰয়োজনীয়তা আৰু কাৰিকৰী সম্ভাব্যতা বিবেচনা কৰি ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি (SOPD), ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক (NABARD)-ৰ অধীনস্থ আঁচনি, বৈদেশিক সাহায্যপ্ৰাপ্ত প্ৰকল্প (EAP) তথা অন্যান্য প্ৰাসংগিক শিতানৰ অধীনত পৰ্যায়ক্ৰমে প্ৰয়োজনীয় আঁচনি গ্ৰহণ আৰু ৰূপায়ণৰ বাবে প্ৰস্তাৱ প্ৰস্তুত কৰি থকা হৈছে।

আঁচনিসমূহৰ ক্ষেত্ৰত কৃষকসকলৰ চাহিদা নিৰূপণ, সম্ভাব্যতা অধ্যয়ন, প্ৰাৰম্ভিক জৰীপ আদি সম্পূৰ্ণ হোৱাৰ পিছত বিভাগে পৰ্যায়ক্ৰমে পৰৱৰ্তী কাৰ্যবিধি গ্ৰহণ কৰিব। প্ৰয়োজনীয় প্ৰশাসনিক আৰু কাৰিকৰী অনুমোদন সাপেক্ষে আঁচনিসমূহ পৰ্যায়ক্ৰমে ৰূপায়ণ কৰা হ'ব।

ইয়াৰ উপৰিও, মেৰামতি শিতান (M&R) আৰু সিঞ্চন নিয়ন্ত্ৰণাধীন এলেকা উন্নয়ন প্ৰকল্পৰ আধুনিকীকৰণ (MCAD)-ৰ অধীনত অকাৰ্য্যক্ষম হৈ থকা জলসিঞ্চন আঁচনিসমূহ পুনৰজীৱিত কৰাৰ উদ্দেশ্যে জলসিঞ্চন বিভাগে প্ৰয়োজনীয় প্ৰস্তাৱ প্ৰস্তুত কৰি আছে। প্ৰয়োজনীয় অনুমোদন সাপেক্ষে কাৰ্য্যক্ষম কৰিব পৰা যাব।

XXXXX